# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-April-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত।

২। ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই ছুইপ কাৰ্যসূচী অব্যাহত।

৩। অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰীক লৈ গঠন কৰা প্ৰাক্তন ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ তদন্তৰ প্ৰতিবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাৰ্যত নাকচ।

৪। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সম্পূৰ্ণৰূপে বন্ধ কৰাৰ ছিংগাপুৰ আৰক্ষীৰ সিদ্ধান্ত।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৬৫ ৰানত জয়লাভ।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থীসকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাষণ দিব। জ্যেষ্ঠ নেতাগৰাকীয়ে কালি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ কলিয়াবৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলে তেওঁলোকৰ শাসনকালত ৰাজ্যখনক অৱহেলা কৰা বুলি অভিযোগ তুলি বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে বিগত ১০ বছৰত ৰাজ্যখনৰ বিকাশৰ বাবে এক লাখ ৭৮ হাজাৰ কোটি টকা আবণ্টন দিয়া বুলি উল্লেখ কৰে। শ্ৰী শ্বাহে এন ডি এ চৰকাৰে কাজিৰঙাৰ ভূমি দখলমুক্ত কৰাৰ উপৰি এটা খড়্গযুক্ত গঁড়ক সুৰক্ষা প্ৰদান কৰিলে বুলি মন্তব্য কৰে।

বাইট

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি কমলপুৰ, মঙলদৈ আৰু নিউ গুৱাহাটী সমষ্টিত প্ৰচাৰ সভাত অংশ ল'ব। তেওঁ কালি পলাশবাৰীত বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যৰ হৈ প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিগত দশকত অসমত পথ পৰিবহণ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ আজি নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব। তেওঁ বৰপেটা আৰু বৰছলাত প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হাইলাকান্দি, ধলাই, কাটিগড়া আৰু বৰখলাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাজুলীৰ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূবন গামৰ সমৰ্থনত জেংৰাইমুখ আৰু কমলাবাৰীত প্ৰচাৰ সভাত ভাগ ল'ব।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে কালি কাৰ্বিআংলং জিলাৰ বোকাজান আৰু তিতাবৰৰ কাছজান চাহ বাগিচাত আয়োজিত জনসভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

ৰাহুল গান্ধীৰ নিৰ্বাচনী প্ৰচাৰৰ পাছত যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তথা অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈয়ে সাংবাদিকৰ আগত অসমৰ জনসাধাৰণৰ সমস্যাসমূহক কংগ্ৰেছ নেতাগৰাকীয়ে অতি গুৰুত্বসহকাৰে লৈছে বুলি প্ৰকাশ কৰে।

বাইট

এ আই চি চিৰ সাধাৰণ সম্পাদক শচীন পাইলটে কালি ৰঙিয়াত কংগ্ৰেছ প্ৰাৰ্থী প্ৰাণজিৎ চৌধুৰীৰ হৈ প্ৰচাৰ চলায়।

নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ অহা এ আই এম আই এমৰ মুৰববী আছাদুদ্দিন ওৱেছিয়ে আজি গোৱালপাৰা পূব সমষ্টিৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী হাফিজ বছিৰ আহমেদ কছিমীৰ হৈ প্ৰচাৰ চলাব। তেওঁ কালি বৰপেটাৰ পাকাবেতবাৰী সমষ্টিৰ প্ৰাৰ্থী মিনাক্ষী ৰহমানৰ হৈ প্ৰচাৰ চলায়।

বিটিচিৰ মুৰববী তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে  দলীয় প্ৰাৰ্থী ৰবিৰাম নাৰ্জাৰী, চিউলী মহিলাৰী আৰু ৰূপম ৰয়ৰ সমৰ্থনত দতমা, কোকৰাঝাৰ আৰু বাওখুংগ্ৰী সমষ্টিত প্ৰচাৰ চলায়।

০০০০০০

বিধানসভা নিৰ্বাচন উপলক্ষে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ আৰু গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। বিশেষকৈ নৱপ্ৰজন্মৰ ভোটদাতাসকলৰ মাজত এই বিষয়ত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে।

১০০ শতাংশ ভোটদান সুনিশ্চিত কৰাৰ লক্ষ্যৰে কালি যোৰহাট নিৰ্বাচনী জিলাৰ ছুইপ কোষৰ উদ্যোগত জিলাখনৰ অন্তৰ্গত চাৰিটা বিধানসভা সমষ্টিত শপতগ্ৰহণ কৰা হয়। সমষ্টিকেইটাৰ অন্তৰ্গত এহেজাৰ ২৯৫টা অংগনবাড়ী কেন্দ্ৰত অনুষ্ঠিত এই বিশেষ শপতগ্ৰহণ অনুষ্ঠানত সমাজকল্যাণ বিভাগৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া, মুখ্য সেৱিকা, অংগনবাড়ী কৰ্মী, সহায়িকা, কেন্দ্ৰসমূহৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। ছুইপ কোষৰ দ্বাৰা আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱত প্ৰতিগৰাকী ভোটাৰৰ সক্ৰিয় অংশগ্ৰহণত আলোকপাত কৰা হয়।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰীক লৈ গঠন কৰা প্ৰাক্তন ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ তদন্তৰ প্ৰতিবেদন কাৰ্যত নাকচ কৰিছে। ২০১৩ আৰু ২০১৪ চনৰ এ পি এছ চি পৰীক্ষাৰ কেলেংকাৰীক লৈ গঠিত বি কে বি শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত কোনো বাচনিকৃত প্ৰাৰ্থীৰ বিৰুদ্ধে বিভাগীয় তদন্ত বা ফৌজদাৰী ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিব। উল্লেখযোগ্য যে গোচৰীয়া পক্ষই প্ৰতিবেদনখনৰ বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰাৰ পাছত কেইবাটাও গোচৰৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে বুধবাৰে এই ৰায় প্ৰদান কৰে। উচ্চ ন্যায়ালয়ে ৰায়টোত স্পষ্ট কৰি উল্লেখ কৰে যে তদন্তৰ সময়ত বিপ্লৱ কুমাৰ শৰ্মা আয়োগে **কমিচন অব এনকুৱেৰী এক্ট** - ১৯৫২ৰ ধাৰা খ আৰু ৮ গ অনুসৰণ কৰা নাছিল। এই ধাৰাসমূহৰ অধীনত কোনো বিষয়াৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰাৰ পূৰ্বে আয়োগে তেওঁক নিয়মমাফিক জাননী জাৰি কৰিব লাগে। লগতে সংশ্লিষ্ট বিষয়াজনক নিজৰ পক্ষ উপস্থাপন কৰাৰ পূৰ্ণ সুযোগ প্ৰদান কৰাটো বাধ্যতামূলক। কিন্তু তদন্ত আয়োগে এই মৌলিক প্ৰক্ৰিয়াসমূহ মানি চলা

নাছিল বুলি আদালতে মত পোষণ কৰে। এই গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়াগত ত্ৰুটিৰ বাবে আদালতে কাৰ্যত প্ৰতিবেদনখনক আইনগতভাৱে অগ্ৰহণযোগ্য বুলি গণ্য কৰে। অৱশ্যে আদালতে প্ৰতিবেদনখন সম্পূৰ্ণৰূপে বাতিল কৰা নাই। ৰায় অনুসৰি, এই প্ৰতিবেদনখনৰ নীতি নিৰ্ধাৰণ বা ভৱিষ্যতৰ প্ৰশাসনিক ব্যৱস্থাৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। কিন্তু কোনো বিষয়া বা ব্যক্তি বিশেষৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণত ইয়াৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। আদালতে সংশ্লিষ্ট অভিযুক্ত বিষয়াকলৰ নিলম্বনৰ আদেশ বৈধ বুলি স্বীকাৰ কৰে যদিও নিলম্বনৰ আদেশ পুনৰীক্ষণ কৰাৰ নিৰ্দেশ দিয়ে।

০০০০০০

ছিংগাপুৰ আৰক্ষীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত বন্ধ কৰিছে। দেশখনৰ কৰ'নাৰ্ছ আদালতে অলপতে শিল্পীগৰাকী দুৰ্ঘটনাবশতঃ ডুবি মৃত্যু হোৱা বুলি ৰায়দান কৰাৰ পাছত গোচৰটোৰ তদন্ত সম্পূৰ্ণৰূপে বন্ধ কৰাৰ সিদ্ধান্ত লয়। ছিংগাপুৰ আৰক্ষীয়ে বুধবাৰে এটা বিবৃতিযোগে পুনৰ কয়, যে শিল্পীগৰাকীৰ মৃত্যুত কোনোধৰণৰ ষড়যন্ত্ৰ হোৱাৰ প্ৰমাণ নাই। তেওঁলোকে লগতে জুবিনৰ মৃত্যুৰ পাছত সম্পন্ন কৰা পৰীক্ষাসমূহত তেওঁৰ তেজত উচ্চমাত্ৰাৰ ইথানল পোৱা গৈছিল বুলি প্ৰকাশ কৰে। বিবৃতিটোত লগতে জুবিন গাৰ্গে প্ৰথমে লাইফ জেকেট পিন্ধি পানীত নামিছিল যদিও পাছত লাইফ জেকেট আঁতৰাই পেলাইছিল আৰু য়টলৈ উভতি আহিছিল বুলি কোৱা হৈছে। পৰৱৰ্তী সময়ত শিল্পীগৰাকী য়টৰ পৰা অকলে দ্বিতীয়বাৰৰ বাবে পানীলৈ নামি গৈছিল আৰু সেই সময়ত তেওঁ লাইফ জেকেট পৰিধান কৰা নাছিল। ৰাজ্যত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত বিচাৰ চলি আছে। গোচৰটোত অভিযুক্ত অমৃতপ্ৰভা মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই যুক্তি প্ৰদৰ্শন ইতিমধ্যে সমাপ্ত কৰিছে। কাইলৈ শ্যামকানু মহন্তৰ অধিবক্তাই যুক্ত প্ৰদৰ্শন কৰাৰ সম্ভাৱনা আছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ৬৫ ৰানত পৰাস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে ২২৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰত ১৬১ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ইয়াৰ পূৰ্বে হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২২৬ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ হেন্ড্ৰিক ক্লাছেনে ৩৫ টা বলত ৫২ ৰান আৰু অংগকৃশ ৰঘুবংশিয়ে ২৯ টা বলত ৫২ ৰানৰ অৱদান আগবঢ়ায়।

কলকাতাৰ হৈ ২৪ টা বলত ৩৯ ৰান কৰা আৰু দুটা উইকেট দখল কৰা নীতিশ কুমাৰ ৰেড্ডীক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

## NP REVIEW 01st april, 2026

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। অসম বিধানসভা নিৰ্বাচনৰ বাবে কালি বিজেপিয়ে সংকল্প পত্ৰ মুকলি কৰে। দলৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে **৩১**টা সংকল্পৰে এই পত্ৰ মুকলি কৰা বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। **আমাৰ অসম** কাকতত প্ৰকাশিত একেটা বাতৰিৰ শিৰোনামঃ **বিজেপিৰ সংকল্প পত্ৰত**

**বানমুক্ত অসমৰ প্ৰতিশ্ৰুতি।** **দৈনিক অগ্ৰদূত, দি আচাম ট্ৰিবিউন** আৰু **দি চেন্টিনেল** কাকতেও বিজেপিয়ে সংকল্প পত্ৰ প্ৰকাশ কৰা বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে। কালি ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰটোৰ দ্বিতীয় দিনাৰ শুনানি সম্পন্ন হয়। জুবিন গাৰ্গক ৰাজনীতিৰ মাজলৈ নাটানিব বুলি গৰিমা গাৰ্গে কাতৰ অনুৰোধ জনোৱা বাতৰিটো অনান্য কাকতৰ লগতে **দৈনিক জনমভূমি** কাকতত প্ৰকাশ পাইছে। জুবিন গাৰ্গৰ নামত কংগ্ৰেছ দলে জঘন্য ৰাজনীতি কৰাৰ অভিয়োগ তুলি কালি সংবাদমাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰী সৰৱ হোৱা বাতৰিটো **অসমীয়া খবৰ** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে 'দৰিদ্ৰ অসমৰ ৩৯শতাংশ প্ৰাৰ্থীয়েই কোটিপতি' বুলি আন এটা বাতৰিক প্ৰধান বাতৰি হিচাপে পৰিৱেশন কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে আছুতীয়াকৈ আন এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। যোৰহাটৰ মহবন্ধাত থকা চুকাফা সমন্বয় ক্ষেত্ৰক লৈ কাকতখনে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰা বাতৰিটোৰ শিৰোনামঃ **প্ৰথমগৰাকী স্বৰ্গদেউৰ স্মৃতিত তৰুণ গগৈয়ে সাজি থৈ যোৱাৰ বাবেই হিমন্ত বিশ্বৰ অৱজ্ঞা, চুকাফাক্ষেত্ৰক আলৈ আথানি মুখ্যমন্ত্ৰীৰ।** ৰাজ্যত শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ স্বাৰ্থত নিৰ্বাচন আয়োগে ৮০০ অৰ্ধসামৰিক বাহিনীৰ কোম্পানী নিয়োগ কৰিব বুলি এটা বাতৰিয়ে **দৈনিক অসম** কাকতৰ প্ৰথম পৃষ্ঠাত আছুতীয়াকৈ শিৰোনাম দখল কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মিজোৰাম, অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু কিছু অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**